# বিজেপি আৰু সংখ্যালঘূ

দিনাংক - ২৫ ফেব্রুৱাৰী ২০১৪

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

বিজেপি ৰ সংখ্যালঘূ ম'চ্চা আৰু ৰাষ্ট্ৰীয় মুছলিম মঞ্চই আজি নতুন দিল্লীত অভিবৰ্ত্তন অনুষ্ঠানৰ আয়োজন কৰে । ইয়াৰ উদ্বোধনীত মই উপস্থিত আছিলো । দ'লৰ সভাপতি শ্ৰীৰাজনাথ সিঙে, এই সন্মিলনৰ উদ্বোধন কৰে । সন্মিলনত উপস্থিত প্ৰতিনিধিৰ প্ৰতিক্ৰিয়াই অভিভূত কৰিছে ।

বিজেপি ৰ প্ৰতি সংখ্যালঘূ লোকৰ ভয়ভাৱ নোহোৱা কৰিবলৈ বহুত বছৰ ধৰি একগোট হৈ প্ৰচাৰ কৰা হৈছিল । সংখ্যালঘূ সমূদায়ৰ কৰ্মকৰ্ত্তায়ে নিজৰ সমূদায়ক বুজুৱাত বহুত কঠিন কাম কৰিব লগা হৈছিল, যে বিজেপি তেওঁলোকৰ সমূদায়ৰ বিৰুদ্ধে নহয় । এনে বহুতো ঘটনা আছে য'ত সংখ্যালঘূ সমূদায়ৰ সদস্যই বিজেপি ৰ কামক প্ৰশংসা কৰিছে । দিল্লীৰ ১৯৮৪ শিখ বিৰোধী হিংসাত পাছত শিখ সমূদায়ৰ সদস্যৰ সৈতে বিজেপি ৰ ভাল সম্বন্ধ আছে । পঞ্জাৱ, দিল্লী, ৰাজস্থান, মধ্যপ্ৰদেশ, চত্তীশগড়, উত্তৰাখণ্ডৰ শিখ সমূদায়ৰ বিজেপি ৰ সদস্যই ৰাজ্যিক বিধানসভা আৰু সংসদলৈ নিৰ্বাচিত হৈছে । সমগ্ৰ দেশত শিখ সমূদায়ৰ সৈতে জড়িত বৃহৎ সংখ্যক ৰাজনৈতিক কৰ্মকৰ্ত্তাই বিজেপি ৰ হৈ কাম কৰি আছে ।

যোৱাবাৰৰ গোৱা বিধানসভা নিৰ্বাচনত বিজেপি ৰ দ'লে খ্ৰীষ্টান সমূদায়ৰ বহুত সংখ্যক সদস্যক দ'লীয় প্ৰাৰ্থী হিচাপে প্ৰস্তুত কৰিছিল । গোৱাৰ সংখ্যালঘূ সমূদায়ৰ বহুতো ভোটদাতাই বিজেপিক ভোটদান কৰিছিল । গোৱাত বিজেপি আৰু খ্ৰীষ্টান সমূদায়ৰ লোকৰ মাজত থকা কাল্পনিক দেৱাল ভাঙি দিয়া হৈছে । গোৱাৰ বহুতো মন্ত্ৰীৰ লগত উপমুখ্যমন্ত্ৰী সংখ্যালঘূ সমুদায়ৰ সৈতে জড়িত । কিছুদিন পূৰ্ব্বে হৈ যোৱা ৰাজস্থানৰ বিধানসভা নিৰ্বাচনত সংখ্যালঘূ সমূদায়ৰ ৪ জনৰ ভিতৰত ২ জন শিখ আৰু ২ জন মুছলিম লোক নিৰ্বাচিত হৈছিল । সেই ৪ জন লোক বিজেপি ৰ সৈতে জড়িত । গুজৰাট আৰু মধ্যপ্ৰদেশৰ পৌৰসভাত বহুতো সংখ্যালঘূ সমূদায়ৰ লোকক নিৰ্বাচিত কৰা হৈছিল । বিজেপি ৰ বাবে বহুতো ভাল কথা যে আমি যেতিয়াই সংখ্যালঘূ সমূদায়ৰ সদস্যক নেতা হিচাপে প্ৰস্তুত কৰিছো তেতিয়াই ভোটদাতাৰ পৰা ভাল প্ৰতিক্ৰিয়া লাভ কৰাত সক্ষম হৈছো ।

বিজেপি আৰু আন দ'লৰ মাজত নিকা প্ৰাৰ্থক্য সেইয়াই যে আমি কেতিয়াও ৰাজনীতিক লাভৰ সজুঁলি হিচাপে ব্যৱহাৰ কৰা নাই । আমি তেওঁলোকক সমানভাৱে ব্যৱহাৰ কৰো আৰু তেওঁলোকৰ সমস্যাকো জনসাধাৰণৰ সমস্যা হিচাপে সম্বোধন কৰো । আজি এই সন্মিলনত আমি ঘোষনা কৰিছো যে আমাৰ মূল লক্ষ্য হৈছে, ভাৰতক হিংসা মুক্ত ৰাষ্ট্ৰ কৰা য'ত সকলো জনসাধাৰণ, সংখ্যালঘূ সমুদায়ৰ সদস্যই নিৰাপত্তা সুনিশ্চিত কৰা, কোনো ভেদভাৱ নকৰি সকলোকে সমান মান্যতা দিয়া । আমি সকলো জনসাধাৰনৰ অৰ্থনীতিৰ বিকাশৰ

বাবে কাম কৰাৰ প্ৰতিজ্ঞা লৈছো য'ত সংখ্যালঘূ সমুদায়ৰ সদস্যও অন্তৰ্ভূক্ত হৈ আছে যাতে আমি তেওঁলোকৰ জীৱনৰ গুণগত মানদণ্ডক বৃদ্ধি কৰিব পাৰো ।

আজি অনুষ্ঠিত হোৱা সন্মিলনত আমি সিদ্ধান্ত লৈছো যে আমাৰ কাৰ্য্যকৰ্ত্তাই দেশৰ ভিতৰত ১০০০ তকৈও অধিক এনে সন্মিলন অনুষ্ঠিত কৰিব য'ত বিজেপি য়ে সংখ্যালঘূ সমুদায়ৰ সদস্যৰ হকে লোৱা পদক্ষেপৰ কথা জনাব আৰু তেওঁলোকক বিৰুধী দ'লে ভ্ৰমিত কৰা সকলো কথাৰ পৰা আতৰাঁত ৰাখিব ।